আবেদনকাৰী: বাকিংহাম আৰু কৰ্ণেটিক কো. লিমিটেড।

বনাম

প্ৰতিবাদী: বাকিংহাম আৰু কৰ্ণেটিক কো. লিমিটেডৰ কৰ্মীসকল।

ৰায়দানৰ তাৰিখ তাৰিখ: ০২/১২/১৯৫২

বিচাৰপীঠ:

মহাজন, মেহৰ চান্দ

বিচাৰপীঠ:

মহাজন, মেহৰ চান্দ

দাস, সুধি ৰঞ্জন

ভাগৱতী, এইচ. নটৰাৰলাল.

উদ্ধৃতি:

১৯৫৩ এআইআৰ ৪৭ ১৯৫৩ এছচিআৰ ২১৯

উদ্ধৃতিৰ তথ্য :

এফ ১৯৫৭ এছচি ৮২ (১২)

ডি ১৯৬১ এছচি ১৫৬৭ (৪)

আৰএফ ১৯৮১ অনুচ্ছেদ ৩৪০ (১৪)

আইন:

ভাৰতীয় কাৰখানা আইনৰ ( ১৯৩৪ চনৰ ২৫ তম আইন)ধাৰা ৪৯(বি), ঔদৌগিক বিবাদ আইনৰ (১৯৪৭ চনৰ ১৬ তম) ধাৰা ২ (কিউ), কৰ্মচাৰীসকলে একত্ৰিত পদক্ষেপৰ দ্বাৰা কেইঘন্টামানৰ বাবে কাম বন্ধ কৰাৰ বাবে সেইয়া "ধৰ্মঘটে" বুলি বিবেচনা কৰিব পাৰি

নেকি? – সেৱাৰ ধাৰাবাহিকতা বাধাগ্ৰস্ত হয় নেকি- দৰমহাৰ সৈতে বন্ধৰ লোৱাৰ অধিকাৰ হেৰুৱাই নেকি৷

মূলটোকা::

বস্ত্ৰশিল্পৰ (টেক্সটাইল) এটা বিভাগে কলৰ (মিল) নিশাৰ ভাগৰ কাম এটা নিৰ্দিষ্ট দিনত আবেলি প্ৰায় 8 বজাৰ পৰা প্ৰায় ৮ বজালৈকে বন্ধ কৰি দিছিল আৰু তেঁওলোকৰ এই ধৰ্মঘটৰ স্পষ্ট কাৰণ এইটোয়ে আছিল যে কলৰ পৰিচালনা সমিতিয়ে সেই নিৰ্দিষ্ট দিনটোৰ আগবেলাক সূৰ্যগ্ৰহণৰ বাবে বন্ধ হিচাপে ঘোষণা কৰিবলৈ শ্ৰমিকসকলৰ অনুৰোধ পালন কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ অক্ষমতা প্ৰকাশ কৰিছিল আৰু দেখা গৈছিল যে কাম বন্ধ কৰাটো সমন্বিত পদক্ষেপৰ ফলাফল আছিল:

ৰায় প্ৰদান কৰা হৈছিল যে (১) কাম বন্ধ কৰাটো ঔদ্যোগিক বিবাদ আইন, ১৯৪৭ ৰ ধাৰা ২ (কিউ)ত উল্লেখিত "ধৰ্মঘট"ৰ সংজ্ঞাৰ পৰিসীমাৰ ভিতৰত আছিল।

(২) ধৰ্মঘটটো এটা অবৈধ ধৰ্মঘট আছিল কাৰণ বস্ত্ৰশিল্পৰ (টেক্সটাইল) কল (মিল) একোটা ৰাজহুৱা উপযোগিতামুলক (সামগ্ৰী প্ৰস্তুত কৰা) উদ্যোগ আছিল আৰু পৰিচালনা সমিতিক (মেনেজমেন্টক) কোনো জাননী দিয়া নাছিল, যদিও কাম কৰিবলৈ অস্বীকাৰ কৰা কাৰ্য্য কেৱল কেইঘণ্টামানৰ বাবেহে অব্যাহত আছিল; আৰু

(৩) এই অবৈধ ধৰ্মঘটৰ দ্বাৰা শ্ৰমিকসকলৰ সেৱাৰ ধাৰাবাহিকতা বাধাপ্ৰাপ্ত হৈছিল আৰু ভাৰতীয় কাৰখানা আইন ১৯৩৪ৰ ধাৰা ৪৯(বি) অধীনত তেওঁলোকে দৰমহাৰ সৈতে বন্ধৰ দাবী কৰাৰ অধিকাৰৰ পৰা বঞ্চিত হৈছিল।

ৰায়:

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীল নং ৮৯/১৯৫২। ঔদ্যোগিক ন্যায়াধিকৰণ, মাদ্ৰাজে প্ৰদান কৰা চুড়ান্ত ৰায়ৰ (মাদ্ৰাজৰ ফৰ্ট ছেইন্ট জৰ্জ গেজেটত প্ৰকাশিত, তাৰিখ ৩/১০/১৯৫০) বিৰুদ্ধে দাখিল কৰা আপীল নং-৯৪ আৰু ১৪২ (চন ১৯৫০) ত কলিকতাস্থিত ভাৰতৰ শ্ৰমিক আপীল ন্যায়াধিকৰণে ১৯৫১ চনৰ ২৭ জুনত প্ৰদান কৰা ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ পৰা বিশেষ অনুমতি প্ৰাপ্তিৰে এই আপীল দাখিল কৰা হৈছে।

এন চি চেটাৰ্জী (এছ. এন. মুখাৰ্জীৰ সৈতে) ............আপীলকাৰীৰ বাবে।

এছ চি চি এন্থনি পিল্লাই (সভাপতি, মাদ্ৰাজ শ্ৰমিক সংঘ) .......... প্ৰতিবাদীৰ বাবে।

১৯৫২ চনৰ ২ ডিচেম্বৰ তাৰিখে ন্যায়াধীশ মহাজনৰ দ্বাৰা আদালতৰ এই ৰায় প্ৰদান কৰা হৈছিল।

ন্যায়াধীশ মহাজন – ঔদ্যোগিক ন্যায়াধিকৰণ, মাদ্ৰাজে প্ৰদান কৰা চুড়ান্ত ৰায়ৰ বিৰুদ্ধে দাখিল কৰা আপীল নং-৯৪ আৰু ১৪২ (চন ১৯৫০) ত কলিকতাস্থিত ভাৰতৰ শ্ৰমিক আপীল ন্যায়াধিকৰণে ১৯৫১ চনৰ ২৭ জুনত প্ৰদান কৰা ৰায়ৰ বিৰুদ্ধে এই ন্যায়ালয়ৰ বিশেষ অনুমতি প্ৰাপ্তিৰে এই আপীল দাখিল কৰা হৈছে।

যি প্ৰাসঙ্গিক তথ্য আৰু পৰিস্থিতিৰ দ্বাৰা এই আপীল আৱেদনখন উদ্ভৱ হৈছে সেইয়া নিম্নলিখিত ধৰণৰ: ১৯৪৮ চনৰ ১ নৱেম্বৰ তাৰিখে কৰ্ণেটিক মিলছৰ ৮৫৯ কাৰ্ডিং আৰু স্পিনিং বিভাগৰ নিশাৰ শ্বিফ্ট অপাৰেটিভসমূহৰ কিছুমানে আবেলি ৪ বজাত, কিছুমানে আবেলি ৪ বাজি ৩০ মিনিটত আৰু কিছুমানে সন্ধিয়া ৫ বজাত কাম বন্ধ কৰিছিল। দুয়োটা বিভাগৰে এই বিৰতি ৰাতি ৮ বজাত সমাপ্ত হৈছিল। এই ধৰ্মঘট নিশা ১০ বজাত সম্পূৰ্ণৰূপে সমাপ্ত হৈছিল। ধৰ্মঘটৰ মূল কাৰণ আছিল যে শ্ৰমিকসকলে ১৯৪৮ চনৰ ১ নৱেম্বৰ তাৰিখে হোৱা সূৰ্যগ্ৰহণৰ বাবে দিনটোৰ আগবেলা বন্ধ হিচাপে ঘোষণা কৰিবলৈ কৰা অনুৰোধ পালনৰ ক্ষেত্ৰত কলৰ পৰিচালনা সমিতিয়ে (মেনেজমেণ্ট অব দ্যা মিলছ) তেওঁলোকৰ অক্ষমতা প্ৰকাশ কৰিছিল। ১৯৪৮ চনৰ ৩ নৱেম্বৰ তাৰিখে পৰিচালনা সমিতিয়ে (মেনেজমেণ্ট অব দ্যা মিলছ) এখন জাননী জাৰী কৰে যে নৱেম্বৰৰ ১ তাৰিখৰ কৰ্ম বিৰতি হৈছে এটা অবৈধ ধৰ্মঘট আৰু সেৱাত বিৰতিৰ অৰ্থ কাৰখানা আইন (১৯৩৪ চনৰ ২৫তম) অনুসৰি নিৰ্দ্ধাৰিত হ'ব আৰু সেইবাবে ব্যৱস্থাপকে (মেনেজমেণ্টে) সিদ্ধান্ত লৈছিল যে যি সকল শ্ৰমিকে উক্ত ধৰ্মঘটত অংশগ্ৰহণ কৰিছিল, তেওঁলোকৰ এই আইনৰ বিধান অনুসৰি দৰমহাৰ সৈতে বন্ধৰ লোৱাৰ অধিকাৰ নাথাকিব। সেইয়া মাদ্ৰাজ শ্ৰমিক সংঘই গ্ৰহণ কৰা নাছিল। মাদ্ৰাজ চৰকাৰে ঔদ্যোগিক বিবাদ আইনৰ (১৯৪৭ চনৰ ১৫তম)ধাৰা ১০(১)(গ) ৰ অধীনত ১১ জুলাই, ১৯৪৯ তাৰিখে প্ৰদান কৰা এটা আদেশৰ জৰিয়তে এই বিবাদৰ লগতে আন কিছুমান বিবাদ ঔদ্যোগিক ন্যায়াধিকৰণ, মাদ্ৰাজলৈ প্ৰেৰণ কৰিছিল। ন্যায়াধীশে প্ৰদান কৰা চুড়ান্ত ৰায় ১৯৫০ চনৰ ১২ অক্টোবৰত গেজেটত প্ৰকাশিত হৈছিল। এই ৰায় প্ৰদান প্ৰক্ৰিয়াত ন্যায়াধীশগৰকীয়ে

জানিব পাৰিলে যে ১৯৪৮ চনৰ ১ নৱেম্বৰৰ নিশা, নিশাৰ ভাগত কাম কৰা শ্ৰমিকসকলে পালন কৰা কৰ্মবিৰতী যে ধৰ্মঘট আছিল তথা এক অবৈধ ধৰ্মঘট আছিল সেই ক্ষেত্ৰত সন্দেহ নাই কিয়নো বস্ত্ৰ উদ্যোগটোক ৰাজহুৱা উপযোগিতামুলক উদ্যোগ হিচাপে ঘোষনা কৰা হয় আৰু এইক্ষেত্ৰত ঔদ্যোগিক বিবাদ আইনৰ দ্বাৰা নিৰ্ধাৰিত চৰ্তাৱলী অনুসৰি জাননীৰ সঠিক জাৰীকৰণৰ অবিহনে কোনো আইনী ধৰ্মঘট হ'ব নোৱাৰে । এনে ধৰণৰ কোনো জাননী দিয়া হোৱা নাছিল। এই অনুসন্ধানৰ পৰিপ্ৰেক্ষিতত তেওঁ পৰিচালনা সমিতিৰ দৃষ্টিভংগী বাহাল ৰাখিছিল যে এই অবৈধ ধৰ্মঘটৰ দ্বাৰা সৃষ্টি হোৱো বিৰতিৰ ফলত শ্ৰমিকসকলৰ সেৱাৰ ধাৰাবাহিকতা ভংগ হৈছিল আৰু ইয়াৰ ফলস্বৰূপে এনে ধৰ্মঘটত অংশগ্ৰহণ কৰা শ্ৰমিকসকলে কাৰখানা আইনৰ ধাৰা ৪৯(খ)(১)ৰ অনুসৰি দৰমহাৰ সৈতে বাৰ্ষিক বন্ধ লাভ কৰিবলৈ অধিকাৰপ্ৰাপ্ত নাছিল। তেওঁ অৱশ্যে এইটোও বিবেচনা কৰিছিল যে পৰিচালনা সমিতিৰ দ্বাৰা নিৰ্দেশিত দৰমহাৰ সৈতে সম্পূৰ্ণ ছুটিৰ বঞ্চনা এটা গুৰুতৰ শাস্তি আৰু পৰিচালনা সমিতিৰ দ্বাৰা শাস্তি প্ৰদানত কৰা বিবেচনা কাৰ্য পৰীক্ষা কৰাৰ ক্ষমতা তেওঁৰ আছে বুলি ধাৰণা কৰি এই শাস্তি ৫০ শতাংশলৈ হ্ৰাস কৰিছিল আৰু এইটো ধাৰ্য্য কৰিছিল যে শ্ৰমিকসকলে তেওঁলোকৰ দৰমহাৰ সৈতে কেৱল আধা বন্ধৰ পৰাহে বঞ্চিত হ'ব। পৰিচালনা সমিতিৰ সিদ্ধান্ত এই পৰিমাণলৈকে পৰিবৰ্তন কৰা হয়।

কলৰ ( মিলছ্) লগতে ইউনিয়নেও এই ৰায়ৰ বিৰুদ্ধে শ্ৰমিক আপীল ন্যায়াধিকৰণত আপীল কৰিছিল । সেই ন্যায়াধিকৰণে কলসমুহৰ ( মিলছ্)যুক্তিকেই বাহাল ৰাখি মত পোষণ কৰিছিল যে কলৰ পৰিচালনা সমিতিৰ বিবেচনাত হস্তক্ষেপ কৰা আৰু ধাৰা ৪৯(খ)(১)ৰ অধীনত পৰিচালনা সমিতিয়ে গ্ৰহণ কৰা সিদ্ধান্তক সংশোধন কৰাৰ ন্যায়াধীশৰ কোনো ক্ষমতা নাই । ন্যায়াধিকৰণে সংগঠনৰ এই যুক্তিকো বাহাল ৰাখিছিল যে ১ নৱেম্বৰৰ নিশা যি ঘটিছিল সেয়া এটা ধৰ্মঘট নাছিল আৰু ইয়াৰ দ্বাৰা শ্ৰমিকৰ সেৱাত কোনো বাধা সৃষ্টি হোৱা নাছিল। ন্যায়াধিকৰণে কৈছিল:-

" উক্ত ধাৰাৰ অধীনত অনুমতি নোহোৱোকৈ কম সময়ৰ বাবে যেনে আধা ঘন্টা বা তাতকৈ কম সময়ৰ বাবে কামত অনুপস্থিত থাকিলে সেইয়া শ্ৰমিকৰ সেৱাত জন্মা ব্যাঘাত হিচাপে গণ্য কৰা কথাটোক সমৰ্থন কৰাটো অযুক্তিকৰ হ'ব । আমি মত পোষণ কৰো যে গোচৰৰ নিৰ্দিষ্ট পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায় ২ৰ পৰা ৪ ঘন্টা ধৰি কাম বন্ধ

কৰাটোক "ধৰ্মঘট" বুলি গণ্য কৰা উচিত নহয়। তদুপৰি এনেদৰে কাম বন্ধ হ ’লে শ্ৰমিকৰ অবিৰত সেৱাত বিৰতি পৰিব বুলিও গণ্য কৰাটো উচিত নহয়।"

এই আপীলৰ ফলস্বৰূপে উক্ত বিষয়ত ইউনিয়নৰ আবেদনত অনুমতি দিয়া হৈছিল আৰু এইটো আদেশ দিয়া হৈছিল যে কাৰখানা আইনৰ ধাৰা ৪৯(ক) অনুসৰি শ্ৰমিকক বন্ধৰ দিনবোৰ সম্পূৰ্ণ হাৰত প্ৰদান কৰা হ'ব আৰু ১৯৪৮ চনৰ ১নৱেম্বৰ তাৰিখে সংশ্লিষ্ট শ্ৰমিকসকলে কাম বন্ধ কৰাৰ বাবে তেওঁলোকৰ সেৱাৰ ধাৰাবাহিকতাত কোনো বিৰতি হোৱা নাছিল বুলি গণ্য কৰি তেওঁলোকৰ বন্ধৰ দিন গণনা কৰিব লাগিব। এই আপীল আবেদনত কলসমূহৰ(মিলসমূহৰ) হৈ এইটো দাবী উত্থাপন কৰা হৈছিল যে কাৰখানা আইনৰ (১৯৩৪ চনৰ ২৫তম) ধাৰা ৪৯-খ (১) সঠিকভাৱে নিৰূপনৰ ক্ষেত্ৰত পৰিচালনা সমিতিৰ এই সিদ্ধান্ত সঠিক আছিল যে অবৈধ ধৰ্মঘটৰ ফলত হোৱা বাধাৰ বাবে সেৱাৰ ধাৰাবাহিকতা ভংগ হৈছিল আৰু সেইবাবে উক্ত ধাৰা অনুসৰি শ্ৰমিকসকল দৰমহাৰ সৈতে বাৰ্ষিক বন্ধৰ অধিকাৰী নাছিল, কিয়নো ইয়াৰ ফলত তেওঁলোকে কাৰখানাত বাৰ মাহৰ নিৰন্তৰ সেৱাৰ ম্যাদ সম্পূৰ্ণ কৰিব নোৱাৰিব আৰু অনুমোদন লাভ নকৰাকৈ এটা কৰ্ম দিনত ২ৰ পৰা ৪ ঘন্টা সময়ৰ বাবে হ’লেও কাম কৰিবলৈ অস্বীকাৰ কৰাৰ কাৰ্য্য এটা অবৈধ ধৰ্মঘটৰ সমপৰ্যায়ৰ আৰু ফলস্বৰূপে ইয়াক ধাৰা ৪৯(খ)ৰ অৰ্থ অনুসৰি এজন শ্ৰমিকৰ সেৱাৰ ক্ষেত্ৰত বাধা হিচাপে গণ্য কৰা হয়।

আমাৰ ৰায়ত এই বিষয়টো সুপ্ৰতিষ্ঠিত হৈছে। ধাৰা ৪৯(খ) অনুসৰি - " বাৰ মাহ ধৰি এটা কাৰখানাত অবিৰতভাৱে কাম কৰা শ্ৰমিকজনে পৰৱৰ্তী বাৰ মাহৰ ভিতৰত একেৰাহে দহ দিনৰ ছুটী লোৱাৰ অধিকাৰী হ ’ব আৰু যদি শ্ৰমিকজন শিশু হয়, তেন্তে তেওঁলোকে ধাৰা ৩৫ৰ উপধাৰা (১)ৰ অধীনত ইতিমধ্যে ছুটী হিচাপে লোৱা যিকোনো দিনকে ধৰি একেৰাহে চৈধ্য দিনৰ ছুটীৰ অধিকাৰী হ’ব।

"ব্যাখ্যা - অসুস্থতা, দুৰ্ঘটনা বা অনুমোদিত ছুটীৰ বাবে শ্ৰমিকৰ অবিৰত সেৱাত বাধা আহি পৰিলেও, যেতিয়ালৈকে এই কাৰণসমূহৰ বাবে তেওঁৰ সেৱাত বাধা মুঠ নব্বৈ দিনতকৈ বেছি নহয়, তেনেক্ষেত্ৰত এজন শ্ৰমিকক কাৰখানাত বাৰ মাহৰ অবিৰত সেৱা সম্পূৰ্ণ কৰা বুলি গণ্য কৰা হ ’ব। তদুপৰি কলৰ পৰিচালনা সমিতি বা মালিক কতৃপক্ষই কল বন্ধ কৰি শ্ৰমিকক সেৱাৰ পৰা বিৰত কৰিলে বা অনুমোদিত ধৰ্মঘটৰ দ্বাৰা সেৱাত সাময়িকভাবে যতি পৰিলে আৰু কোনো বাহ্যিক কাৰকৰ বাবে শ্ৰমিকৰ

সেৱাত মাজে সময়ে ব্যাঘাত জন্মিলে (যি ৩০ দিনতকৈ বেছি নহয়), তেনে ক্ষেত্ৰতো শ্ৰমিকৰ অবিৰত সেৱা অব্যাহত আছে বুলি গণ্য কৰা হ'ব।

এইটো সুস্পষ্ট যে এটা অবৈধ ধৰ্মঘটৰ দ্বাৰা সেৱাত হোৱা বাধাৰ ক্ষেত্ৰত এই ধাৰাৰ অন্তৰ্ভূক্ত সুবিধাসমূহ উপলব্ধ নহয়। ঔদ্যোগিক বিবাদ আইনৰ (১৯৪৭ চনৰ ১৫তম) ধাৰা ২ (কিউ)ই "ধৰ্মঘট" অৰ্থ নিৰ্ধাৰণ কৰে -

"ধৰ্মঘট মানে যেতিয়া কোনো বিশেষ উদ্যোগত কাম কৰা লোকৰ এটা দলে একেলগে কাম কৰা বন্ধ কৰে বা সমন্বিত প্ৰচেষ্টা বা বুজাবুজিৰ মাধ্যমত কাম কৰি যাবলৈ বা নিয়োগ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে।"

বিচাৰকজনে গোচৰৰ প্ৰমাণ আৰু পৰিস্থিতি পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হয় যে শ্ৰমিকসকলে ১ নৱেম্বৰৰ নিশা কাম বন্ধ কৰি পুনৰ কাম আৰম্ভ কৰিবলৈ অস্বীকাৰ কৰাৰ আৰত এক সমন্বিত আৰু সামূহিক প্ৰচেষ্টা আছিল। তেওঁ লক্ষ্য কৰিছিল যে বিভিন্ন কাৰণত যথেষ্ট সংখ্যক ছুটীৰ আবেদন দাখিল কৰা হৈছিল , যিয়ে সমন্বিত ব্যৱস্থা গ্ৰহণৰ ইংগিত দিয়ে। শ্ৰমিক আৰু তেওঁলোকৰ প্ৰতিনিধিৰ পৰা অহা আবেদনসমূহেও ইংগিত দিছিল যে তেওঁলোকে ধৰ্মঘট কৰাত আৰু কামলৈ ঘূৰি আহিবলৈ অস্বীকাৰ কৰাত দুয়ো ক্ষেত্ৰতে সন্মিলিতভাবে সিদ্ধান্ত লৈছিল। তেওঁলোকৰ এই কাৰ্য্য এইকাৰণে তেওঁলোকে নায্য বুলি ভাবিছিল কাৰণ তেওঁলোকে বিশ্বাস কৰিছিল যে ডে শ্বিফ্টৰ (দিনৰ ভাগত কাৰ কৰা) শ্ৰমিকসকলক আধা দিনৰ ছুটী দিয়া হৈছিল বাবে তেওঁলোকে নৈশ শ্বিফটৰ (নিশাৰ ভাগত) বাবেও ছুটী পোৱাৰ অধিকাৰী। তেওঁ পুনৰ কৈছিল যে বিষয়াসকলে আৰু তেওঁলোকৰ মাদ্ৰাজ লেবাৰ ইউনিয়ন প্ৰতিনিধিসকলে শ্ৰমিকসকলক বুজাবলৈ চেষ্টা কৰা স্বত্বেও শ্ৰমিকসকলে কাম পুনৰ আৰম্ভ কৰিবলৈ অস্বীকাৰ কৰিছিল যিয়ে ইংগিত দিছিল যে তেওঁলোকে, এক সন্মিলিত গোট হিচাপে, তেওঁলোকৰ দাবী পুৰণ নোহোৱালৈকে কাম পুনৰ আৰম্ভ কৰিবলৈ প্ৰস্তুত নাছিল।

আমাৰ মতামত অনুসৰি, ন্যায়াধীশৰ সিদ্ধান্ত স্পষ্টভাৱে শুদ্ধ আছিল আৰু এই সিদ্ধান্তটো এৰাই চলিব নোৱাৰি যে শ্ৰমিকসকলে সাংগঠনিক ভাবে কাম কৰি আছিল। তেনে হোৱাৰ বাবে, শ্ৰমিকসকলৰ ১ নৱেম্বৰৰ নিশাৰ কাৰ্য স্পষ্টভাৱে ঔদ্যোগিক বিবাদ আইনৰ ধাৰা ২(কিউ)ত " ধৰ্মঘট"ৰ অভিব্যক্তিৰ সংজ্ঞাৰ ভিতৰত পৰিছিল। আমি আপীল

ন্যায়াধিকৰণ এই দৃষ্টিভংগীলৈ সমৰ্থন আগবঢ়াব নোৱাৰো যে দুইৰ পৰা চাৰি ঘন্টা সময়ৰ বাবে কাম বন্ধ কৰা আৰু কামত অনুমতিবিহীন অনুপস্থিতিক " ধৰ্মঘট"হিচাপে গণ্য কৰিব নোৱাৰি । ন্যায়াধীশৰ আগত সংগঠনে উত্থাপন কৰা তেওঁলোকৰ একমাত্ৰ দাবীটো আছিল যে ই এটা স্বতঃস্ফূৰ্ত আৰু আকস্মিক ধৰ্মঘট আছিল কিন্তু তেওঁলোকে এইটো কোৱা নাছিল যে কাম বন্ধ কৰাটো আইনখনত দিয়া অনুসৰি "ধৰ্মঘট"ৰ সংজ্ঞাৰ ভিতৰত নপৰিল ।এইটো একেবাৰে বিতৰ্কিত বিষয় নহয় যে কলত কাম কৰা এক নিৰ্দিষ্টসংখ্যক শ্ৰমিকে কাম বন্ধ কৰিছিল, যে তেওঁলোকে সংগঠিতভাৱে কাম কৰিছিল আৰু তেওঁলোকৰ পুনৰ কামলৈ ঘূৰি নোযোৱাৰ সিদ্ধান্তটোও এক সন্মিলিত সিদ্ধান্ত আছিল। সেইবাবে এই গোচৰটোত ধৰ্মঘটৰ সংজ্ঞা নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় চৰ্তসমূহ উপলব্ধ আছিল আৰু ১৯৪৮ চনৰ ১ নৱেম্বৰ, তাৰিখে কাম বন্ধ কৰাটো "ধৰ্মঘট"ৰ সমপৰ্যায়ৰ আছিল। এইটো এজন শ্ৰমিকৰ ব্যক্তিগতভাৱে কামত উপস্থিত থকাত হোৱা বিফলতাৰ গোচৰ নহয়। এইটো আছিল এটা বৃহৎ সংখ্যক শ্ৰমিকৰ সহযোগিতাৰে কৰা এক কাৰ্য্য। সেয়েহে আপীল ন্যায়াধিকৰণে এই কাৰ্য্যক ধৰ্মঘট বুলি স্বীকৃতি নিদি ভুল কৰি ছিল। আইন অনুসৰি সঁচাকৈয়ে ই আছিল ধৰ্মঘট আৰু ন্যায়াধিকৰণৰ আইনৰ বিপৰীতে সিদ্ধান্ত লোৱাৰ কৰ্তৃত্ব নাছিল। । যদি এইটো অস্বীকাৰ কৰা হোৱা নাই যে ১৯৪৮ চনৰ ১ নৱেম্বৰ তাৰিখে কাম বন্ধ কৰাটো " ধৰ্মঘট"ৰ সমপৰ্যায়ৰ আছিল, তেতিয়া এইটো নিশ্চিতভাৱে এটা অবৈধ ধৰ্মঘট আছিল, কিয়নো ৰাজহুৱা উপযোগিতামুলক উদ্যোগ হিচাপে কলবোৰৰ পৰিচালনা সমিতিক কোনো জাননী দিয়া হোৱা নাছিল।

এইক্ষেত্ৰত সংগঠনৰ সভাপতিয়ে, যিয়ে শ্ৰমিকসকলৰ হৈ গোচৰটোত যুক্তি দিছিল, কৈছিল যে এই গোচৰটোত কাৰখানা আইনৰ কোনো প্ৰাসংগিকতা নাছিল, কিয়নো মাদ্ৰাজ চৰকাৰে ১৯৪৬ চনৰ ২৩ আগষ্ট তাৰিখৰ এক অধিসূচনাৰ দ্বাৰা, বাকিংহাম কৰ্নাটিক মিলছক এই আইনৰ চতুৰ্থ (ক)অধ্যায়ত সন্নিবিষ্ট বিধানসমুহৰ পৰা ৰেহাই দিছিল আৰু সেইবাবে ইয়াৰ ধাৰা ৪৯ (ক) আৰু ৪৯ (খ) সন্নিবিষ্ট বিধানসমূহ ইয়াত প্ৰযোজ্য নহয় আৰু এই আদালতে উক্ত ধাৰাৰ সঠিক নিৰূপনৰ ক্ষেত্ৰত আইনৰ কোনো গুৰুত্বপূৰ্ণ প্ৰশ্ন নিৰ্ধাৰণ কৰিবলগা নাছিল আৰু সেয়েহে, এই ন্যায়ালয়ে এই আপীল সংবিধানৰ ১৩৬ অনুচ্ছেদৰ অধীনত অনোমোদন কৰাটো উচিত নহব । এই যুক্তিৰ কোনো বৈধতা নাই। কলবোৰক কাৰখানা আইনৰ চতুৰ্থ (ক)অধ্যায়ৰ বিধানসমূহৰ পৰা ৰেহাই মঞ্জুৰ কৰা হৈছিল কাৰণ

তেওঁলোকৰ ছুটিৰ নিয়ম কাৰখানা আইনৰ চতুৰ্থ (ক)অধ্যায়ৰ বিধানসমূহৰ অনুসৰি আছিল। এই নিয়মবোৰ একে ধৰণৰ হোৱাৰ বাবে এই বিষয়টোৰ সিদ্ধান্ত নিয়মসমূহৰ বাখ্যাৰ ওপৰত নিৰ্ভৰ কৰে আৰু ইয়াত আইনৰ গুৰুত্বপূৰ্ণ প্ৰশ্ন জড়িত হৈ থাকে।

পৰৱৰ্তী পৰ্য্যায়ত কাৰখানাৰ আইনৰ ধাৰা ৪৯ ( ক ) ওপৰত নিৰ্ভৰ কৰা হৈছিল আৰু যুক্তি দিয়া হৈছিল যে কাৰখানা আইনখনৰ ৪৯-এ ধাৰা অনুসৰি পূৰ্বৰ নিয়মৰ অধীনত শ্ৰমিকৰ অধিকাৰসমূহত নতুন আইনখনৰ দ্বাৰা বিৰূপ প্ৰভাৱ নপৰে আৰু এই যুক্তিও আগবঢ়োৱা হৈছিল যে ফেক্টৰী আইন কাৰ্যকৰী হোৱাৰ আগতে কলবোৰৰ ছুটীৰ নিয়ম অনুসৰি শ্ৰমিকসকলৰ বিশেষাধিকাৰ ছুটী লোৱাৰ অধিকাৰ আছিল আৰু পুৰণি ছুটীৰ নিয়মত কাৰখানা আইন বা নতুন নিয়মৰ ধাৰা ৪৯-বিত প্ৰৱৰ্তন কৰা বিধানৰ দৰে ব্যৱস্থা নাছিল আৰু ধৰ্মঘটৰ বাবে শ্ৰমিকসকলৰ ছুটীৰ প্ৰাপ্যতা অস্বীকাৰ কৰাৰ কৰ্তৃত্ব কলবোৰৰ নাছিল। এই যুক্তিটো বাহাল ৰাখিব নোৱাৰি কিয়নো ১৯৪৬ চনৰ ২৩ আগষ্ট তাৰিখৰ অধিসূচনাৰ প্ৰতি লক্ষ্য ৰাখিলে কাৰ্নাটিক মিলৰ এই গোচৰটোত কাৰখানা আইনৰ ধাৰা ৪৯-ক (২)ৰ কোনো প্ৰাসংগিকতা নাই ।

শেষত, এইটো যুক্তি দিয়া হৈছিল যে ১৯৪৮ চনৰ নৱেম্বৰৰ ১ তাৰিখে কাম বন্ধ কৰাটো শ্ৰমিকসকলৰ এক সাংগঠনিক পদক্ষেপ নাছিল আৰু তেওঁলোকৰ কেইবাজনো শ্ৰমিকে সেই তাৰিখত নিজৰ ব্যক্তিগতভাৱে ছুটি বিচাৰিছিল। আমাৰ দৃষ্টিত বিচাৰকৰ সিদ্ধান্তৰ সবিশেষ বিবেচনা কৰিলে কাম বন্ধ কৰাটো এক সন্মিলিত ব্যৱস্থা হোৱাৰ বিৰুদ্ধে দিয়া যুক্তি বৈধ নহয়। । আমি বিচাৰকৰ দ্বাৰা লোৱা সিদ্ধান্তটোৰ দৃষ্টিভংগিত একমত যে ১৯৪৮ চনৰ নৱেম্বৰৰ ১ তাৰিখে নিশা ৮৫৯ জন শ্ৰমিকৰ পদক্ষেপ ঔদ্যোগিক বিবাদ আইনৰ ধাৰা ২(দ)ত দিয়া অনুসৰি "ধৰ্মঘট" শব্দটোৰ সংজ্ঞাৰ ভিতৰত পৰে আৰু এইটো এটা অবৈধ ধৰ্মঘট আছিল আৰু এনেদৰে শ্ৰমিকসকলে বন্ধৰ সুবিধাটো হেৰুৱাইছিল যিটো হয়তো তেওঁলোকে নিয়মৰ অধীনত লাভ কৰিলেহেতেঁন।

আপীলকাৰীৰ বাবে বিদ্বান পৰামৰ্শদাতাই পৰিচালনা সমিতিৰহৈ আশ্বাস দিছিল যে ১৯৪৮ চনৰ নৱেম্বৰৰ ১ তাৰিখে হোৱা শ্ৰমিকসকলৰ অনুপস্থিতি ক্ষমা কৰা হ'ব আৰু সেই নিশা কাম বন্ধ হোৱাৰ ফলত শ্ৰমিকসকলে নিয়ম অনুসৰি ছুটী হেৰুৱাবলগীয়া হোৱা বুলি

গণ্য কৰা নহ ’ব আৰু আমি আমি এই প্ৰতিশ্ৰুতিৰ আঁৰৰ ইতিবাচক উদ্দেশ্য ৰ শলাগ লৈছো আৰু আশা কৰোঁ যে শ্ৰমিকসকলেও ইয়াক সেই মনোভাৱৰেই গ্ৰহণ কৰিব।

গতিকে, এই আপীলত অনুমতি দিয়া হৈছে আৰু এই বিষয়ত শ্ৰমিক আপীল ন্যায়াধিকৰণৰ সিদ্ধান্ত বাতিল কৰা হ’ল। এই গোচৰটোৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ব্যয়ৰ ক্ষেত্ৰত আমি কোনো আদেশ নিদিওঁ।

আপীলৰ অনুমতি প্ৰদান কৰা হৈছে।

আপীলকাৰীৰ প্ৰতিনিধি: এছ. পি. বৰ্মা।

অনুবাদক -উৰ্মি হাজৰিকা, কণিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষক– মৃণাল কুমাৰ ভট্টাচাৰ্য্য , জ্যেষ্ঠ অনুবাদক , অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”